# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

000000000

**Date :** 14-02-2025

**Time :** 18-00 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::**

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিনিয়োগকাৰীক আদৰিবলৈ ৰাজ্য চৰকাৰ সাজু হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত হ'বলগীয়া উত্তৰ-পূৰ্বাঞ্চলৰ এই সৰ্ববৃহৎ বিনিয়োগ সন্মিলন সফল কৰি তোলাৰ বাবে ৰাজ্য চৰকাৰে সকলো প্ৰস্তুতি চলাইছে। উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি মুখ্য সচিব ড০ ৰবি কোটাৰ উপস্থিতিত ৰাজ্যৰ উদ্যোগপতিসকলৰ লগতে ক্ষুদ্ৰ, লঘূ আৰু মজলীয়া উদ্যোগৰ উদ্যোগীসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। শ্ৰী বৰাই ৰাজ্যত ব্যৱসায়ৰ নতুন সুযোগ সৃষ্টি তথা ক্ষুদ্ৰ, লঘূ আৰু মজলীয়া উদ্যোগৰ প্ৰসাৰৰ ক্ষেত্ৰত সহায় হোৱাকৈ এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত থলুৱা বিনিয়োগকাৰীসকলক সংযুক্ত হ'বলৈ আহ্বান জনায়।

বৈঠকত উদ্যোগ আৰু বাণিজ্য বিভাগৰ সচিব ড০ লক্ষ্মনন এছৰ উপৰি প্ৰতিখন জিলাৰ আয়ুক্ত আৰু জিলা উদ্যোগ বাণিজ্য কেন্দ্ৰৰ বিষয়াসকল ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে সংযুক্ত হয়।

এডভাণ্টেজ আছামৰ প্ৰথম সংস্কৰণত ২৬২ খন বুজাবুজিৰ চুক্তিৰ স্বাক্ষৰ হৈছিল বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ইয়াৰ দ্বিতীয় সংস্কৰণত অধিক বুজাবুজিৰ চুক্তি তথা বিনিয়োগ হ'ব বুলি আশা প্ৰকাশ কৰে। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজন কৰা এই শীৰ্ষ সন্মিলনত ভাগ ল'বলগীয়া বিনিয়োগৰাকীৰ বাবে থকা-খোৱাৰ বিশেষ ব্যৱস্থা কৰাৰ উপৰি প্ৰদৰ্শনীথলীৰ পৰিসৰ বৃদ্ধি কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে জনাইছে।

০০০০

ৰাজ্যৰ ৯৪৪টা পৰীক্ষা কেন্দ্ৰত কাইলৈ চলিত বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হ'ব। এইবাৰ মুঠ ৪লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। পৰিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ ৩১টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব আৰু ৪২টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব। পৰীক্ষা নিয়াৰিকৈ পৰিচালনাৰ বাবে ইতিমধ্যে সংশ্লিষ্ট জিলা আয়ুক্তসকলে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰৰ ১৫ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত পৰিক্ষাৰ্থীৰ বাহিৰে আন লোকৰ প্ৰৱেশ নিষিদ্ধ, মোবাইল ফোন, স্মাৰ্ট ঘড়ী আদিকে ধৰি অন্যান্য ইলেকট্ৰনিক সামগ্ৰী ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০

শিৱসাগৰৰ ঐতিহাসিক শিৱদৌলত দৌল উন্নয়ন পৰিষদে সংবাদ মেল পাতি বিগত বছৰৰ দৰে এইবাৰো শিৱদৌলত শিৱৰাত্ৰী উদ্‌যাপনৰ দিহা কৰা হৈছে বুলি প্ৰকাশ কৰিছে। শিৱদৌল উন্নয়ন পৰিষদে জনোৱা অনুসৰি শিৱদৌলত ২৫ ফেব্ৰুৱাৰীৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ ৪ দিনীয়াকৈ শিৱৰাত্ৰী উদ্‌যাপন কৰা হ'ব। শিৱৰাত্ৰী উপলক্ষে আয়োজন কৰা মেলাত বিগত বছৰৰ দৰে এইবাৰো থলুৱা ব্যৱসায়ীৰ লগতে বহিঃৰাজ্যৰ ব্যৱসায়ীয়ে

অংশগ্ৰহণ কৰিব। ২৬ ফেব্ৰুৱাৰীৰ নিশা ৯ বাজি ৩০ মিনিটত পুজা আৰম্ভ হ'ব আৰু ২৭ ফেব্ৰুৱাৰীৰ পুৱা চাৰে ন বজাত শিৱৰাত্ৰীৰ পুজা সমাপ্ত হ'ব। দৌল পৰিষদে জনোৱা অনুসৰি ২৮ ফেব্ৰুৱাৰীৰ নিশা কণ্ঠশিল্পী কল্পনা পাটোৱাৰীয়ে সংগীতানুষ্ঠানত অংশগ্ৰহণ কৰিব। সেই নিশা ২ বজাত মহাশিৱৰাত্ৰী মেলা আনুষ্ঠানিকভাৱে অন্ত পৰিব।

০০০০

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাৰ আৰৰ্ত ভৱনৰ নতুন গৃহৰ আধাৰশিলা স্থাপন কৰাৰ উপৰি জিলাখনৰ আন কেইবাটাও কাৰ্যসূচীত অংশ লয়। ৰাজ্য চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ অধীনত ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই আৰৰ্ত ভৱনৰ ভূমি পূজন অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক ভূবন পেগু উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত ধেমাজিৰ হাবুং ঐতিহ্য ক্ষেত্ৰত টাই সংগ্ৰহালয় নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰে। লোক নিৰ্মাণ বিভাগৰ অধীনত গ্লোবেল হেড পুঁজিৰ ৩ কোটি টকা ব্যয় সাপেক্ষে এই সংগ্ৰহালয়টো নিৰ্মাণ কৰা হ'ব। ডাঃ পেগুৱে আজি জিলাখনৰ বগলীজান আৰু ভূমা অঞ্চল সংযোগী আৰু বৰদৈ বাগান আৰু ৰাতুৱা সংযোগী দুখন দলঙৰো আধাৰশিলা স্থাপন কৰে।

০০০০

নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ সৌজন্যত সাহিত্য একাডেমীৰ উদ্যোগত আজি মহাবিদ্যালয় প্ৰেক্ষাগৃহত কথাশিল্পী শীলভদ্ৰ জন্ম শতবাৰ্ষিকী উপলক্ষে এটি মনোজ্ঞ আলোচনাচক্ৰ অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ সহযোগত আয়োজিত এই আলোচনাচক্ৰত শীলভদ্ৰৰ জীৱন আৰু সাহিত্য বিষয়ক আলোচনা অনুষ্ঠিত হয়। সাহিত্য একাডেমীৰ ক্ষেত্ৰীয় সমন্বয়ক ক্ষেত্ৰবাসী নায়কে উদ্বোধন কৰা এই অনুষ্ঠানত সাহিত্য একাডেমীৰ অসমীয়া ভাষা উপদেষ্টা পৰিষদৰ সমন্বয়ক ড০ দিগন্ত বিশ্ব শৰ্মাই মূল বক্তব্য আগবঢ়ায়।

০০০০

২২ মাৰ্চত ইণ্ডিয়া প্ৰিমিয়াৰ লীগ ২০২৫ ক্ৰিকেট প্ৰতিযোগিতাখন আৰম্ভ হ'ব। এইবাৰৰ আই পি এল প্ৰতিযোগিতাৰ দুখন লীগ মেচ গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এছোচিয়েছনৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। সেই অনুসৰি ৰাজস্থান ৰয়েলছৰ দ্বিতীয়খন ঘৰুৱা খেলপথাৰত ২৬ মাৰ্চত দলটো কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে ৩০ মাৰ্চত অসম ক্ৰিকেট এছোচিয়েছনৰ খেলপথাৰত ৰাজস্থান ৰয়েলছে-চেন্নাই চুপাৰ কিংছৰ বিৰুদ্ধে খেলিব। আই পি এলৰ সূচীত খেল দুখনৰ স্থান অন্তৰ্ভুক্ত হৈছে যদিও অৱশ্যে অসম ক্ৰিকেটলৈ এই মুহূৰ্তলৈকে আনুষ্ঠানিক বাৰ্তা অহা নাই বুলি অসম ক্ৰিকেট সংস্থাই জনাইছে। গুৱাহাটীত অনুশীলনৰ বাবে ঘৰুৱা দল ৰাজস্থান ৰয়েলছ শনিবাৰে গুৱাহাটীত আহি উপস্থিত হ'ব। ৰাজস্থান ৰয়েলছ দলটোত অসমৰ ক্ৰিকেটাৰ ৰিয়ান পৰাগো আছে। ২৫ মে'ত আই পি এল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন অনুষ্ঠিত হ'ব। ক্ৰিকেট প্ৰতিযোগিতাখনলৈ এমাহৰো অধিক সময় থকা অৱস্থাত আজি গুৱাহাটীলৈ আই পি এলৰ ট্ৰফীটো প্ৰদৰ্শনীমূলকভাৱে অনা হয়। আই পি এল ২০২৪ৰ বিজয়ী দল কলকাতা নাইট ৰাইডাৰ্ছে আই পি এল ট্ৰফীটো গুৱাহাটীৰ কামাখ্যা মন্দিৰৰ লগতে ব্যৱসায়িক প্ৰতিষ্ঠানকে ধৰি ভিন্ন স্থানত প্ৰদৰ্শন কৰে। দলটোৱে আই পি এল ট্ৰফীটো দেশৰ আন দহখন চহৰটো প্ৰদৰ্শন কৰিব।

০০০০

সমাপ্ত